# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-04-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ আজি দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। ৰাজ্যৰ ৫ টা সমষ্টিত ৬১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

২। ভি ভি পেট শ্লিপৰ সৈতে ই ভি এমৰ জৰিয়তে হোৱা ভোটদানৰ ১০০ শতাংশ ভোটৰ সত্যাসত্য নিৰূপণৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদন সন্দৰ্ভত আজি উচ্চতম ন্যায়ালয়ৰ ৰায়।

৩। ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া তৃতীয় তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ৪টা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত।

৪। উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ কেইবাখনো ৰে'লগাড়ীৰ চলাচল বাতিলৰ লগতে সময়সূচীৰ সাল-সলনি।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ খেলত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। এই পৰ্যায়ত ১২খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনক সামৰি লোৱা হৈছে। এই সমষ্টিকেইটাৰ লগতে আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ বাবেও ভোটগ্ৰহণ আৰম্ভ হৈছে।

এই পৰ্যায়ত অসমত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে ভোটগ্ৰহণ আৰম্ভ হৈছে। শিলচৰ সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই আজি পুৱাৰ ভাগতে সমষ্টিটোৰ ধলাইত ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে মৰিকলং উচ্চ মাধ্যমিক বিদ্যালয়ত আৰু বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই বেজেৰাত ভোটদান কৰে। আনহাতে, মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে বটদ্ৰৱা দেওৰাবড়ি প্ৰাথমিক বিদ্যালয়ত পুৱাৰ ভাগত ভোটদান কৰে।

আজি ভোটগ্ৰহণ অনুষ্ঠিত সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ বিভিন্ন ব্যৱস্থা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে অতি স্পৰ্শকাতৰ হিচাপে বিবেচিত ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৪ হাজাৰ ৭৪৫ টা ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৰেলে কালি এখন সংবাদমেলত কয় যে দ্বিতীয় পৰ্যায়ত আজি ৰাজ্যখনৰ ৫ টা সমষ্টিৰ অন্তৰ্গত ৯ হাজাৰ ১৩৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ৭৭ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। একেদৰে ৬১ হাজাৰ ৫৪৮ গৰাকী বিশেষভাৱে সক্ষম ভোটদাতাই এই পৰ্যায়ত ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। দ্বিতীয় পৰ্যায়ৰ ভোটদাতাসকলৰ ভিতৰত ১৫ হাজাৰ ৬৮৩ গৰাকী দৃষ্টিহীন আৰু ৩৪ হাজাৰ ৫৪৮ গৰাকী ৮৫ বছৰৰ ঊৰ্ধৰ ভোটদাতা আছে। একেদৰে ১০০ বছৰ অতিক্ৰম কৰা ৮৬২ গৰাকী ভোটদাতা আৰু ১৭ হাজাৰ ৩৯২ গৰাকী ছাৰ্ভিচ ভোটাৰ আছে। এই পৰ্যায়ত ১৮ৰ পৰা ১৯ বছৰ বয়সৰ ১ লাখ ২১ হাজাৰ ৭৬৯ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব বুলি শ্ৰী গোৰেলে প্ৰকাশ কৰে।

দেশত আজি ভোটগ্ৰহণ অনুষ্ঠিত সমষ্টিকেইটাৰ ভিতৰত অসম আৰু বিহাৰৰ ৫টাকৈ, কেৰালাৰ ২০টা, কৰ্ণাটকৰ ১৪টা, ৰাজস্থানৰ ১৩টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮টাকৈ, মধ্যপ্ৰদেশৰ ৬টা, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ ৩টাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ সমষ্টি আছে।

মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও দ্বিতীয় পৰ্যায়তে ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত ভোটগ্ৰহণ তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হৈছে। এই পৰ্যায়ত আউটাৰ মণিপুৰ সংসদীয় সমষ্টিৰ ৪ গৰাকী প্ৰাৰ্থীসহ মুঠ এহেজাৰ ২০২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে ১ লাখ ৬৭ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ১৬ লাখৰো অধিক নিৰ্বাচনী বিষয়াক নিয়োজিত কৰা হৈছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ ৰাহুল গান্ধী, চি পি আইৰ এনি ৰাজা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ, কংগ্ৰেছ নেতা শশী থাৰুৰ, বিজেপিৰ তেজস্বী সূৰ্য, হেমামালিনী, অৰুণ গোভিল, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইছ ডি কুমাৰ স্বামী, বিজেপিৰ দিলীপ শইকীয়া, পৰিমল শুক্লবৈদ্য, আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ অন্যতম।

oooooooo

উচ্চতম ন্যায়ালয়ে ভিভি পেট শ্লিপৰ সৈতে ই ভি এমৰ জৰিয়তে হোৱা ভোটদানৰ ১০০ শতাংশ ভোটৰ সত্যাসত্য নিৰূপণৰ বাবে অনুৰোধ জনাই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত আজি ৰায় প্ৰদান কৰিব। ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে যোৱা ১৮ এপ্ৰিলত দুদিনজোৱা ব্যাপক শুনানিৰ অন্তত গণতান্ত্ৰিক সংস্কাৰ সংস্থাকে ধৰি বিভিন্ন পক্ষই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছিল। ১৮ এপ্ৰিলত বিষয়টোৰ শুনানি সম্পন্ন হোৱাৰ পাছত ২৪ এপ্ৰিললৈ ৰায়দান সুৰক্ষিত ৰখা হৈছিল। যোৱা ২৪ এপ্ৰিলত আদালতে ৰায়দান স্থগিত ৰাখে আৰু কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত নিৰ্বাচন আয়োগৰ পৰা অধিক স্পষ্টীকৰণ বিচাৰে। শুনানিৰ সময়ত বিচাৰপীঠখনে ই ভি এম আৰু ভি ভি পেটৰ কাম-কাজ আৰু ইয়াৰ সুৰক্ষা ব্যৱস্থাক লৈ নিৰ্বাচন আয়োগক কেইবাটাও প্ৰশ্ন সোধে। ন্যায়াধীশ খান্নাই নিয়ন্ত্ৰণ গোট অথবা ভি ভি পেটত মাইক্ৰ' কণ্ট্ৰোলাৰ স্থাপন কৰা আছে নে নাই সেই কথা স্পষ্ট কৰিবলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে। ন্যায়াধীশ খান্না আৰু ন্যায়াধীশ দত্তাই আজি বিষয়টো সন্দৰ্ভত সুকীয়াকৈ ৰায়দান কৰিব।

ooooo

ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া তৃতীয় তথা অন্তিম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে বাকী ৪টা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। বাক্সা জিলাৰ বাৰেংগাবাৰীত কালি কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কোকৰাঝাৰ সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কাইলৈ বাৰেংগাবাৰী লাচিত এম ই স্কুলৰ খেল পথাৰত অনুষ্ঠিত হ'বলগীয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ জনসভাৰ প্ৰস্তুতিৰো বুজ লয়। ইপিনে, কোকৰাঝাৰ সমষ্টিৰ অধীনৰ ৭ মে'ত অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। বিটিআৰৰ দুটা মূল ৰাজনৈতিক দল, বি পি এফ আৰু ইউ পি পি এলেও ভোটাৰ ৰাইজৰ মন

আকৰ্ষণ কৰাৰ বাবে ভিন ভিন উপায়েৰে প্ৰচাৰ অভিযান চলাইছে। বি টি আৰ প্ৰধান প্ৰমোদ বড়োৱে কালি বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী সোৰণশ্ৰী গাঁৱত এখন জনসভাত ভাষণ দিয়ে।

00000000

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ অসমলৈ আহিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই কথা সদৰি কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটাৰ কংগ্ৰেছ প্ৰাৰ্থী দীপ বায়নৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে গুৱাহাটীত এখন সংবাদ মেলত অংশগ্ৰহণ কৰিব।

0000000

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে দাখিল কৰা মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আছিল। ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। এই পৰ্যায়ত দেশৰ ৯ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

0000000

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ বাবে আজি অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে ৩ মে' মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে আৰু ২০ মে'ত ভোটগ্ৰহণ কৰা হ'ব ।

0000000

লামডিং মণ্ডলৰ অধীনস্থ জাতিংগা-লামপুৰ আৰু নিউ হাৰাংগাজাও ৰে'ল ষ্টেচনৰ মাজত এখন মালবাহী ৰে'লগাড়ীৰ ইঞ্জিন ৰে'ল পথৰ পৰা বাগৰি পৰাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইখনমান ৰে'লগাড়ীৰ চলাচলৰ ক্ষেত্ৰত সূচীৰ সাল-সলনি ঘটোৱা হৈছে। ইয়াৰে কেইখনমান ৰে'লগাড়ীৰ যাত্ৰা বাতিল আৰু আন কেইখনমানৰ আংশিকভাৱে বাতিল কৰাৰো সিদ্ধান্ত লোৱা বুলি এখন বিভাগীয় প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে। সেই অনুসৰি আগৰতলা-গুৱাহাটী বিশেষ ৰে'লগাড়ীৰ কালিৰ যাত্ৰাৰ লগতে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ আৰু গুৱাহাটী-আগৰতলা বিশেষ ৰে'লগাড়ীখনৰ আজিৰ যাত্ৰা, শিয়ালদহ-আগৰতলা কাঞ্চনজংঘা এক্সপ্ৰেছৰ কাইলৈৰ, এল টি টি আগৰতলা এক্সপ্ৰেছৰ ২৮ এপ্ৰিলৰ আৰু ফিৰোজপুৰ-আগৰতলা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ অহা ২৯ এপ্ৰিলৰ নিৰ্ধাৰিত যাত্ৰা বাতিল কৰা হৈছে।

আনহাতে, হমছফৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, দুল্লবচেৰা-গুৱাহাটী এক্সপ্ৰেছ, আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ, আগৰতলা-শিয়ালদহ কাঞ্চনজংঘা এক্সপ্ৰেছ, আগৰতলা এল টি টি এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ যাত্ৰাপথ সীমিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে আজিৰ দিনটোৰ বাবে নিৰ্ধাৰিত তিনিখন ৰে'লগাড়ীৰ যাত্ৰাৰ সময় পুনৰ নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি শিলচৰ-ত্ৰিবান্দম এক্সপ্ৰেছ ৰে'লগাড়ীখনে পুৱা ৬ বজাত যাত্ৰা আৰম্ভ কৰাৰ বিপৰীতে আগৰতলা-ছেকেন্দৰাবাদ বিশেষ ৰে'লগাড়ীখনৰ যাত্ৰা বিয়লি তিনি বজাত আৰু শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা পুৱা ১০ বজাত আৰম্ভ হ'ব বুলি বিজ্ঞপ্তিখনত প্ৰকাশ পাইছে।

0000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ দিনকেইটাত আজি আৰু ৭ মে'ৰ দুপৰীয়া ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব। আনহাতে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত আজি, ৭, ১৩, ২০ আৰু ২৫ মে' তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ'ব।

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰ্যটনসূচী ২০২৩-২৪ পৰ্যটন বৰ্ষৰ বাবে বন্ধৰ ঘোষণা কৰি হৈছে। সেই অনুসৰি পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ হাতী ছাফাৰী অহা এক মে'ৰ পৰা আৰু জীপ ছাফাৰী ১৬ মেৰ পৰা বন্ধ ৰখা হ'ব। প্ৰতিকূল বতৰ আৰু বাট-পথৰ অসূচল অৱস্থাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

মাজুলীৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি জিলা উন্নয়ন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত ড° কাবেৰী বি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকখনত মাৰ্চ মাহৰ বিভিন্ন চৰকাৰী কাম-কাজৰ খতিয়ান দাঙি ধৰা হয়। জিলাখনৰ অতিৰিক্ত আয়ুক্ত আৰু সহকাৰী আয়ুক্তসকলৰ লগতে ভিন ভিন বিভাগৰ মুৰব্বী বিষয়াসকলে অংশগ্ৰহণ কৰে। জিলা আয়ুক্তগৰাকীয়ে বিভাগীয় কাম-কাজসমূহৰ পৰ্যালোচনা কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহলৈ প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায় বুলি আকাশবাণীৰ মাজুলীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০০

বিশ্ববিদ্যালয় অনুদান আয়োগে এটা নিৰ্দেশনাযোগে ৰাজ্যৰ দুখন মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। এই অনুসৰি শিৱসাগৰ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয় আৰু গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয় ৰাজ্যৰ স্বতন্ত্ৰ মহাবিদ্যালয় সমূহৰ তালিকাত নতুনকৈ অন্তৰ্ভুক্ত হৈছে। আয়োগে এই সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ নিৰ্দেশনা পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱানিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে  ছানৰাইজাৰ্ছ হায়দৰাবাদক ৩৫ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০৭ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ১৭১ ৰানহে কৰিবলৈ সমৰ্থ হয়। হায়দৰাবাদৰ হৈ শ্বাহবাজ আহমেদে সৰ্বাধিক ৪০ ৰান কৰি অপৰাজিত হৈ ৰয়। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ কেমৰুন গ্ৰীণ, কৰ্ণ শৰ্মা আৰু স্বপ্নীল সিঙে দুটাকৈ উইকেট দখল কৰে। যশ দয়াল আৰু উইল জেকছে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত ২০৬ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ বিৰাট কোহলীয়ে ৫১, ৰজত পাটিদাৰে ৫০ আৰু কেমৰুন গ্ৰীণে অপৰাজিত ৩৭ ৰান কৰে। ৰজত পাটিদাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ জয়দেৱ উনাদকটে তিনিটা, টি নটৰাজনে দুটা আৰু ময়ং মাৰকণ্ডে আৰু পেট কামিন্সে এটাকৈ উইকেট লাভ কৰে।

০০০০০

ৰাষ্ট্ৰীয় আইনসেৱা প্ৰাধিকৰণৰ নিৰ্দেশমৰ্মে মাজুলী জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনত অহা ১৫ মে'ত লোক আদালতৰ আয়োজন কৰা হৈছে। তদুপৰি যোৱা ১০ এপ্ৰিলৰ পৰা অহা ১০ মে'লৈকে মাজুলীত প্ৰাক-ৰাষ্ট্ৰীয় লোক আদালতৰ ব্যৱস্থা কৰা হৈছে। যিসকল লোকে বৰ্তমানলৈকে প্ৰাক-ৰাষ্ট্ৰীয় লোক আদালতত ভাগ লোৱা নাই তেওঁলোকৰ বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্স, যান-বাহন আইন ১৯৮৮ৰ অধীনৰ গোচৰ, বেংকৰ ঋণ আদায়, বিজুলী বিল আদায় সম্বন্ধীয় প্ৰাক-মোকৰ্দমা গোচৰসমূহ লোক ৰাষ্ট্ৰীয় লোক আদালতত মীমাংসাৰ বাবে লোৱা হৈছে। মাজুলী জিলা আইনসেৱা  প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সচিবে আজি সংবাদমেলৰ জৰিয়তে সমাগত ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাক তৰান্বিত কৰি তুলিবলৈ মাজুলীবাসীৰ প্ৰতি আহ্বান জনাইছে।

———গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহত কেইবাটাও বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ পাইছে।

আজি দ্বিতীয় পৰ্যায়ৰ ভোট। ৰাজ্যৰ দৰং-ওদালগুৰি, ডিফু, নগাঁও, শিলচৰ আৰু কৰিমগঞ্জ সমষ্টিৰ ভোটাৰে আজি পুৱাৰে পৰা ভোট প্ৰদান কৰিছে। এই বাতৰিটো **দৈনিক অসম**কে ধৰি অন্যান্য কাকতবোৰেও প্ৰকাশ কৰিছে।

চাকমা-হাজং শৰণাৰ্থীৰ সংস্থাপন প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৰে স্থিতি সলনি কৰিছে। এই সন্দৰ্ভত **দৈনিক জনমভূমি**ৰ লগতে অন্যান্য কাকতেও ভিন ভিন শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

**জুবিন গাৰ্গক বৰ্জনৰ আহ্বন, সত্ৰ মহাসভাৰ** শিৰোনামেৰে **আমাৰ অসম** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

মাজুলীত চিকিৎসকৰ অভাৱত ৰোগীৰ হাহাকাৰ শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে আন এটা বাতৰি প্ৰকাশ কৰিছে।

নিৰ্বাচনী আচৰণবিধি ভংগৰ অভিযোগত কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ নিৰ্বাচন আয়োগৰ জাননী। এই সন্দৰ্ভত **দৈনিক অগ্ৰদূত** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

চাকমা-হাজং শৰণাৰ্থীক অসমত সংস্থাপন দিয়াৰ ক্ষেত্ৰত গৃহমন্ত্ৰীৰে কোনো আলোচনা হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰিছে। এই বাতৰি **অসমীয়া খবৰ** কাকতৰ।

বি পি এল ছাত্ৰ-ছাত্ৰীৰ মাচুল বিনামূলয়ী কৰাৰ নিৰ্দেশ শিক্ষা বিভাগৰ শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত বিজেপি, কংগ্ৰেছ দলে মৌনতা অৱলম্বন কৰিছে। এই সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতে BJP, Congress Silent on Assam Accord implimentation শিৰোনামেৰ বাকৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - কম নম্বৰ লাভ কৰিও উচ্চ পদত, ন্যায়িক তদন্তত উন্মোচিত কেলেংকাৰীৰ নতুন দিশ, নাগৰিকত্ব ৰক্ষাৰ বাবেই ভোট দিব ন' মেনছ লেগুৰ বাসিন্দাই, বেঙ্গো ছীড বাগৰ উপদ্ৰৱত অতিষ্ঠ ৰাইজৰ ঘৰ এৰি পলায়ন, মন্দিয়াৰ আৰক্ষী বিষয়া ৰিজাৰ্ভ ক্লোজ ইত্যাগি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**